Dr. Ratul Deka
Assistant Professor
Department of Assamese
Bodoland University, Kokrajhar
B.T.R. Assam, Pin-783370
Phone: +91 9864756694
Email: ratuldeka760@gmail.com

*Ref. No:*

*Date:* 22-09-2023

# CERTIFICATE

This is to Certify that the thesis entitled **"Abibhakta Goalpara Jilar Koch-Rajbongshi Janagostir Sadhukatha: Ek Pariveshtantrik Adhyayan"** is a bonafied record of research work done by **Chakradhar Roy**, under my guidance and supervision. It contains result of the candidate's personal investigation. He has fulfilled all the necessary requirements under the Ph.D. regulation of this University for submitting the thesis for the Degree of Doctor of Philosophy.

This thesis has not previously formed the basis for the award of any Degree, Diploma, Associateship, Prize or other title.

**(Dr. Ratul Deka)**

# DECLARATION

I, hereby declare that the work presented in this thesis, entitled **"Abibhakta Goalpara Jilar Koch-Rajbongshi Janagostir Sadhukatha: Ek Pariveshtantrik Adhyayan"** in fulfilment of the requirements for the award of Degree of Doctor of Philosophy, Submitted to faculty of languages of Bodoland University, Kokrajhar, is an authentic record of my own research work carried out under the supervision of **Dr. Ratul Deka**, I also declare that work embodied in the present thesis

i. is my original work and has not been copied from any journal/ thesis/book; and

ii. has not been submitted by me for any other Degree or Diploma of any University/Institution.

Chakradhar Roy.

Date: 22.09.2023.

**(Chakradhar Roy)**

# কৃতজ্ঞতা স্বীকাৰ

অবিভক্ত গোৱালপাৰা জিলাৰ এটি অন্যতম জনগোষ্ঠী কোচ-ৰাজবংশীসকলৰ লোক সাহিত্যৰ এক প্ৰধান ভাগ সাধুকথাসমূহৰ অধ্যয়ন তথা মূল্যায়ন কৰাৰ মানসেৰে **'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন'** শীৰ্ষক বিষয়টো আমাৰ গৱেষণাৰ বাবে নিৰ্বাচন কৰা হৈছে। কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথাসমূহক আমি পাঁচটা অধ্যায়ত বিভাজন কৰি পৰিৱেশতান্ত্ৰিক দৃষ্টিকোণেৰে প্ৰণালীবদ্ধভাৱে আলোচনা কৰিবলৈ প্ৰয়াস কৰিছোঁ। আমাৰ এই গৱেষণাত বিষয় সম্পৰ্কীয় সুক্ষ্ম দিশ কেতবোৰ ৰৈ যোৱাটো স্বাভাৱিক। অজানিতে ৰৈ যোৱা ভুল ত্ৰুটি আৰু আমাৰ সীমাবদ্ধতা সবিনয়ে স্বীকাৰ কৰিছোঁ।

আমাৰ এই অধ্যয়নৰ সময়ছোৱাত বহুতো গুণী-জ্ঞানী ব্যক্তি তথা শুভাকাঙ্খীৰ সহায় সহযোগিতা আৰু শুভাশিসেৰে আমি ধন্য হৈছোঁ। আমাৰ গৱেষণাৰ তত্ত্বাৱধায়ক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ৰাতুল ডেকা ছাৰে গৱেষণাৰ বিষয় নিৰ্বাচনকে আদি কৰি গৱেষণা কৰ্মৰ প্ৰতিটো পদক্ষেপতে অকৃত্ৰিম সহায় আগবঢ়োৱাৰ বাবে তেখেতৰ ওচৰত আমি চিৰকৃতজ্ঞ। আমাৰ গৱেষণা কাৰ্যত বিভিন্ন দিহা-পৰামৰ্শ দি অনুপ্ৰাণিত কৰা বড়োলেণ্ড বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড°চুমী কলিতা বাইদেউ আৰু সহকাৰী অধ্যাপক ড° বিভূতি লোচন শৰ্মা ছাৰলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। যাৰ সহায় সহযোগীতা আৰু আন্তৰিক তাগিদা নহ'লে এই গৱেষণা কাৰ্য কেতিয়াও সম্ভৱ হৈ নুঠিলহেঁতেন সেই গৰাকী পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° ডেইজী ৰাণী ডেকা বাইদেউৰ প্ৰতি আমি চিৰকৃতজ্ঞ।

দক্ষিণ ডিমলগাঁও এল.পি স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক আমাৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰয়াত শঙ্কৰ প্ৰসাদ ৰায় ছাৰলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শিক্ষা জীৱনৰ আদি কালছোৱাত তেখেতৰ পৰা লাভ কৰা শিক্ষাই মোক এই পৰ্য্যায়ত উপনিত হোৱাত বিশেষভাৱে সহায় কৰিছে। তেখেতৰ ওচৰত আমি আজীৱন ঋণী হৈ থাকিম। আমাৰ গৱেষণা কৰ্মৰ বাবে নীৰৱে অশেষ কষ্ট স্বীকাৰ কৰি প্ৰতি পদক্ষেপতে আমাক মানসিক সাহচৰ্য আগবঢ়োৱা মোৰ মা, বাবা, দাদা, বৌ আৰু বান্ধৱী কেতেকীক আমি কৃতজ্ঞতা জনাইছো। লগতে ভতিজী ৰীতিকালৈ বহুত মৰম যাচিছোঁ।

গৱেষণা কাৰ্যৰ ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত ছাঁৰ দৰে আমাৰ লগত থাকি যথেষ্ট সহায়

সহযোগিতা আগবঢ়োৱা বন্ধু জাজাং কামা কোচলৈ অশেষ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বন্ধু জাজাঙৰ অবিহনে ইমান বিস্তৃত ৰূপত ক্ষেত্ৰ অধ্যয়ন আমাৰ পক্ষে সম্ভৱপৰ নহ'লহেঁতেন। ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰা কামেশ্বৰ ৰায়, গৌৰী মোহন ৰায়, কমল বৰ্মন, সীমান্ত নাৰায়ণ কোচ, মিঠুন ৰায়, চক্ৰপাণি ৰায়, অৰুণ ৰায়, গৌতম বৰ্মন, জ্যোতি ৰায় আৰু হিৰোকজ্যোতি প্ৰধানীলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম কেন্দ্ৰীয় পুথিভঁৰালৰ সমূহ কৰ্মচাৰী তথা কোকৰাঝাৰ জিলা পুথিভঁৰালৰ সমূহ কৰ্মচাৰীলৈও আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বড়োলেণ্ড প্ৰদেশীয় পৰিষদে গৱেষণা কৰ্মক উদগণি দিয়াৰ উদ্দেশ্যে আগবঢ়োৱা জলপানিয়ে গৱেষণা কৰ্মটো সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত আমাক আৰ্থিকভাৱে যথেষ্ট সকাহ দিছে। এই ছেগতে বড়োলেণ্ড প্ৰদেশীয় পৰিষদলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অশেষ কষ্ট স্বীকাৰ কৰি মুদ্ৰলেখনৰ জৰিয়তে গ্ৰন্থখনি সজাই পৰাই তোলাৰ বাবে এন.জি বাইন্দিঙলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

৪ ছেপ্টেম্বৰ, ২০২৩ **চক্ৰধৰ ৰায়**

কোকৰাঝাৰ, অসম

# অৱতৰণিকা

# অৱতৰণিকা

## ০.১ বিষয়ৰ পৰিচয়

লোক সাহিত্যসমূহ হৈছে পৰম্পৰাগত জ্ঞানৰ ভঁৰাল। কোনো এটা জাতিৰ অতীত অথবা বৰ্তমানৰ বিষয়ে জানিবলৈ হ'লে লোক সাহিত্য অধ্যয়ন কৰাতো হ'ব প্ৰথম পদক্ষেপ। বিৱৰ্তনৰ পথত মানুহ তথা জাতি একোটাই সামগ্ৰিকভাৱে অৰ্জন কৰা বিভিন্ন বিষয়ৰ জ্ঞানেই হৈছে লোক সাহিত্যসমূহৰ মূল ভেটি। লোক সাহিত্যতসমূহত কোনো এটা জাতিৰ জন্মৰপৰা মৃত্যুলৈ প্ৰতিফলন ঘটা ৰীতি নীতি, লোক বিশ্বাস, লোক ঔষধ, উৎসৱ-অনুষ্ঠানৰ প্ৰসংগৰ লগতে পৰিৱেশ আৰু মানুহৰ মাজত থকা সৃষ্টিকালৰ সম্পৰ্ক, পাৰস্পৰিক নিৰ্ভৰশীলতা, পৰিৱেশ সংৰক্ষণ আৰু সচেতনতা ইত্যাদি দিশসমূহ প্ৰকাশ পোৱা দেখিবলৈ পোৱা যায়।

উত্তৰ পূব ভাৰতবৰ্ষৰ এক অন্যতম প্ৰাচীন নৃ-গোষ্ঠী হৈছে কোচ-ৰাজবংশী। কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ লোক সাহিত্য অত্যন্ত চহকী। মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল এই জাতিটোৰ লোক সাহিত্যৰ মাজত দেখা যায় প্ৰাকৃতিক পৰিৱেশৰ সৈতে নিবিড় সম্পৰ্ক। কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ প্ৰধান উৎসৱ হৈছে 'বিষুৱা'। এই উৎসৱ সাতদিন ধৰি পালন কৰা হয়। য'ত প্ৰাকৃতিক শক্তিসমূহক অৰ্চনা কৰি বছৰটোৰ কাৰণে নিৰোগী হৈ থকাৰ মন্ত্ৰ জপ কৰা হয়। সমান্তৰালভাৱে কোচ-ৰাজবংশী লোকসকলে সোণাৰায় পূজা কৰে। জনশ্ৰুতি অনুসৰি পুহ মাহৰ সংক্ৰান্তিত কৰা এই পূজাত বাঘৰ ৰজা সোণাৰায়ক পূজা কৰাৰ নিয়ম। ইয়াৰ বাহিৰেও পাহাৰ পূজা, গছ পূজা, মদন কামদেৱ পূজাৰ দৰে প্ৰসংগসমূহ কোচ-ৰাজবংশী জনগোষ্ঠীয় লোক সাহিত্যই বহন কৰা দেখা যায়। কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক সাহিত্যত প্ৰকাশ পোৱা এনে উৎসৱ-অনুষ্ঠান, ৰীতি-নীতিৰ প্ৰসংগই প্ৰকৃতি আৰু মানুহৰ মাজত আন্তঃসম্পৰ্কৰ এক সুন্দৰ উদাহৰণ দাঙি ধৰিছে।

পৰম্পৰাগত জ্ঞানৰ ভেটি হৈছে প্ৰকৃতি। এনে পৰম্পৰাগত জ্ঞানসমূহ এটা প্ৰজন্মৰপৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰসাৰিত হয়। কোন সময়ত কি খেতি কৰিব লাগিব তাৰ নিদেৰ্শনা মৌখিক সাহিত্যৰপৰাই মানুহে বুটলিছিল। ঠিক একেদৰে লোক ঔষধৰ ব্যৱহাৰ বা দিহা পৰামৰ্শ প্ৰদানো মৌখিক সাহিত্যৰদ্বাৰা সম্ভৱপৰ হৈছিল। মানুহৰ সংগ্ৰহিত অভিজ্ঞতাৰপৰাই মৌখিক গীত-মাত, প্ৰবাদ-প্ৰবচন, সাধুকথা ইত্যাদিসমূহৰ সৃষ্টি হৈছে। নৈতিক শিক্ষাৰ অন্যতম ভঁৰাল হৈছে সাধুকথাসমূহ। কেৱল নৈতিক শিক্ষাই নহয় সাধুকথাসমূহ সমাজতাত্ত্বিক আৰু নৃতাত্ত্বিকভাৱেও গৱেষণাৰ অন্যতম সমল হিচাপে বিবেচিত হৈ আহিছে। কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাসমূহৰ

মাজতো নৈতিক শিক্ষা, সমাজৰ আচৰণ, প্ৰকৃতিৰ ৰহস্যময় ঘটনা, জীৱ-জন্তুৰ প্ৰসঙ্গ আদি দেখিবলৈ পোৱা যায়।

বৰ্তমান সময়ত বিজ্ঞানে যিদৰে বিকাশ আৰু প্ৰগতিৰ পতাকা উৰুৱাইছে, সমান্তৰালভাৱে প্ৰকৃতিৰো যথেষ্ট ক্ষতি সাধন কৰিছে। বিকাশ আৰু অগ্ৰগতিৰ নামত মানুহে প্ৰকৃতিৰ সম্পদসমূহ অবাধে সংগ্ৰহ কৰি নিঃশেষ কৰিছে। ফলশ্ৰুতিত প্ৰকৃতিয়ে হেৰুৱাই পেলাইছে নিজৰ ভাৰসাম্যতা। লক্ষ্য কৰিলে দেখা যায় যে প্ৰগতিৰ নামত মানুহে নতুন উদ্যোগ, নগৰ নিৰ্মাণ কৰিবলৈ গৈ প্ৰকৃতিৰ সকলো নীতি-নিয়মৰ শৃংখল নোহোৱা কৰিছে। ইয়াৰ পাৰ্শ্বক্ৰিয়াই মানুহৰ লগতে সকলো প্ৰজাতিকে ক্ষতি কৰিছে। প্ৰাকৃতিক পৰিৱেশৰ সমান্তৰালভাৱে এনে পাৰ্শ্বক্ৰিয়াই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু নৈতিকতাৰ দিশতো বিৰূপ প্ৰভাৱ পেলাইছে। এনে সময়ত বিজ্ঞানৰ আধুনিক জোৱাৰৰ বিপৰীতে মানুহৰ প্ৰাচীন জীৱনশৈলী গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কিয়নো প্ৰাচীন জীৱনশৈলী পৰম্পৰাগত বা থলুৱা জ্ঞানৰদ্বাৰা পৰিচালিত হয়, অৰ্থাৎ প্ৰকৃতিৰ কোলাত বা প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ সকলো কথা পৰম্পৰাগত জ্ঞানত পোৱা যায়। এনে প্ৰসঙ্গত পৰম্পৰাগত জ্ঞান বহন কৰা লোক সাহিত্য বা মৌখিক সাহিত্যৰ বিদ্যায়তনিক গৱেষণাৰ গুৰুত্ব বাঢ়ি আহিছে।

পৃথিৱীৰ সকলো সাধুকথাতে মানুহৰ লগতে নদ-নদী, পাহাৰ-পৰ্বত, অৰণ্য, জীৱ-জন্তু ইত্যাদি প্ৰকৃতিৰ উপাদানসমূহৰ কথা পোৱা যায়। সাধুসমূহত মানুহে কেতিয়াবা হিংস্ৰ জন্তুৰ লগত যুঁজ দিছে। কেতিয়াবা হিংস্ৰ জন্তুৰ লগত সহাৱস্থান কৰিছে, পূজা কৰিছে; মানুহে জীৱ-জন্তুৰ লগত কথা পাতিছে; পাহাৰৰ গুহাত ঘৰ সাজিছে। সাধুকথাত মানুহে কেতিয়াবা বাঘ, চৰাই, হাতী ইত্যাদি জন্তুলৈ ৰূপান্তৰিত হৈছে; কেতিয়াবা আকৌ গছ এডাল বা সাপৰ লগত মানুহে বিয়াত বহিছে। সাধুকথা শুনি থাকোঁতে এনে ঘটনাসমূহে আমাক অধিক প্ৰকৃতিৰ ওচৰত বিচৰণ কৰায়। সাধুকথাসমূহত স্থানীয় প্ৰসঙ্গৰ বাহিৰেও কিছু চিৰন্তন প্ৰসঙ্গ দেখা যায়। চিৰন্তন প্ৰসঙ্গসমূহে মূলতঃ মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, পাৰিপাৰ্শ্বিক নৈতিকতা, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশক সামৰি লয়। এনে চিৰন্তন দিশসমূহে সাধুকথাসমূহক নতুন দৃষ্টিভংগীৰে আলোচনাৰ অৱকাশ আনি দিয়ে। পৃথিৱীৰ অন্যান্য জনগোষ্ঠীসমূহৰ সাধুকথাৰ দৰে কোচ-ৰাজবংশী সাধুকথাসমূহতো স্থানীয় আৰু চিৰন্তন প্ৰসঙ্গসমূহ প্ৰকাশ পাইছে। চিৰন্তন প্ৰসঙ্গসমূহে বিশ্বজনীন দৃষ্টিভংগীক প্ৰতিফলিত কৰে। আমাৰ এই গৱেষণা গ্ৰন্থখনত স্থানীয় আৰু চিৰন্তন দিশসমূহক আগত ৰাখি কোচ-ৰাজবংশী সাধুকথাত মানুহ আৰু প্ৰাকৃতিক পৰিৱেশৰ আন্তঃসম্পৰ্কক পৰিৱেশতান্ত্ৰিক দৃষ্টিভংগীৰে অধ্যয়ন কৰিবলৈ প্ৰযত্ন কৰা হ'ব।

## ০.২ অধ্যয়নৰ উদ্দেশ্য

'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা : এক পৰিৱেশতান্ত্রিক অধ্যয়ন' শীর্ষক বিষয়ত গৱেষণা কৰিবলৈ যাওঁতে তলত দিয়া গৱেষণাৰ উদ্দেশ্যসমূহ আগত ৰখা হৈছে—

- কোচ-ৰাজবংশী লোক সাহিত্যৰ সামগ্রিক আলোচনা কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাত প্রতিফলন ঘটা মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পর্কক বিজ্ঞানসন্মতভাৱে পর্যালোচনা কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাত প্রতিফলন ঘটা পাৰিপার্শ্বিক নৈতিকতাৰ গুৰুত্ব আৰু প্রায়োগিক দিশৰ আলোচনা কৰা হৈছে।
- জৈৱ-আঞ্চলিকতাবাদৰ প্ৰসংগৰে কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাসমূহৰ পৰিৱেশতান্ত্রিক পঠনৰ সমান্তৰালভাৱে ৰাজনৈতিক পঠনো কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাৰ আধাৰত জীৱ-জন্তুৰ অধিকাৰৰ দিশটো আলোচনা কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাক পাৰিপার্শ্বিক অন্তর্দৃষ্টিৰে আলোচনা কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাত প্রকাশ পোৱা পৰম্পৰাগত তথা স্থানীয় জ্ঞানৰদ্বাৰা পৰিৱেশ সংৰক্ষণ, সচেতনতা আৰু সম্পদৰ বহনক্ষম ব্যৱস্থাপনাৰ প্রায়োগিক দিশসমূহ আলোচনা কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাত প্রতিফলিত নাৰী-প্ৰসংগসমূহক পৰিৱেশমূলক সমালোচনাৰ দৃষ্টিকোণেৰে অধ্যয়ন কৰা হৈছে।
- কোচ-ৰাজবংশী সাধুকথাত প্রাপ্ত পৰিৱেশমূলক ৰূপাঙ্গৰ বিচাৰ কৰি ইয়াৰ অন্তর্নিহিত পাৰিপার্শ্বিক সচেতনতা আৰু সংৰক্ষণৰ দিশসমূহ আলোচনা কৰা হৈছে।

## ০.৩ সমল আৰু পদ্ধতি

তথ্যসমূহ সংগ্ৰহ কৰা হৈছে মুখ্য আৰু গৌণ সমলৰ আধাৰত। মুখ্য সমল সংগ্ৰহৰ কাৰণে ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে। ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ বিভিন্ন ধৰণৰ সঁজুলি ব্যৱহাৰ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নত ব্যৱহাৰ কৰা সঁজুলিসমূহ হৈছে কলম, বহী, ডিজিটেল ভইচ ৰেকৰ্ডাৰ, মোবাইল ফোন আদি। ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত। পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলা বৰ্তমান পাঁচখন নতুন জিলাত পৰিণত

হৈছে। সেই পাঁচখন জিলা হৈছে গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, ধুবুৰী আৰু চিৰাং জিলা। কোকৰাঝাৰ জিলাৰ দক্ষিণ ডিমলগাঁও, ডিমলগাঁও, চন্দ্ৰপাৰা, ধাউলীগুৰি, কাশীটাৰী; বঙাইগাঁও জিলাৰ আঠুগাঁও, বইটামাৰী, পুৰাণা বঙাইগাঁও, দেৱানগাঁও; ধুবুৰী জিলাৰ গোলকগঞ্জ আৰু গৌৰীপুৰৰ বিভিন্ন ঠাই যেনে গাইখোৱা, চাপগড়, খুদিমাৰী, দেৱত্তৰ হাস-দহ (৫ময় খণ্ড), ডুমৰদহ, বণিয়ামাৰী, দক্ষিণ ৰায়পুৰ (প্ৰথম খণ্ড); চিৰাং জিলাৰ কাশীকটৰা, বাসুগাঁও; গোৱালপাৰা জিলাৰ গুমাইঝাৰ, লেলা, লক্ষীপুৰ, শগুনবাহী, বানিয়াপাৰা, দুধনৈ ইত্যাদি ঠাইসমূহত গৱেষণাৰ বাবে ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে। উক্ত কোচ-ৰাজবংশী জনগোষ্ঠী অধ্যুষিত অঞ্চলসমূহৰ বৃদ্ধ, বয়স্ক, ডেকা, পুৰুষ, মহিলা উভয় শ্ৰেণীৰ মানুহৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে। সমান্তৰালভাৱে শিক্ষিত অশিক্ষিত সকলো শ্ৰেণীৰ ব্যক্তিক ক্ষেত্ৰ অধ্যয়নত সামৰি লোৱা হৈছে।

গৌণ সমলৰ ভিতৰত বিভিন্ন গ্ৰন্থ, আলোচনী, ইন্টাৰনেট, পুথিভঁৰাল ইত্যাদিৰ সহায় লোৱা হৈছে। গ্ৰন্থাগাৰৰ ভিতৰত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল, গৌহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ পুথিভঁৰাল, কোকৰাঝাৰ জিলা পুথিভঁৰাল, বড়োলেণ্ড বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ পুথিভঁৰালৰ লগতে ব্যক্তিগত পুথিভঁৰালৰপৰা গৱেষণা গ্ৰন্থ আৰু কিতাপৰ সহায় লোৱা হৈছে।

'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন' শীৰ্ষক বিষয়ক গৱেষণা কৰ্মত মূলতঃ বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। গৱেষণাৰ প্ৰয়োজন অনুসৰি বৰ্ণনাত্মক আৰু সমীক্ষাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

### ০.৪ পূৰ্বকৃত অধ্যয়নৰ খতিয়ান

কোচ-ৰাজবংশী সাধুকথাৰ বিজ্ঞাসন্মত বা গৱেষণামূলক অধ্যয়ন তেনেই তাকৰ। তাৰ মাজতো দুই এখন সাধুকথাৰ সংকলন বা সংগ্ৰহ, গৱেষণা পত্ৰত আংশিকভাৱে কৰা আলোচনা, আলোচনাচক্ৰ, প্ৰবন্ধ ইত্যাদি পোৱা যায়। কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাৰ সংগ্ৰহ আৰু গ্ৰন্থৰূপে প্ৰথম প্ৰকাশ পোৱা দেখা যায় লাবণ্য ভকতৰ **'ৰাজবংশী কেচ্চা'** শীৰ্ষক গ্ৰন্থখন। গ্ৰন্থখনত ত্ৰিছটাতকৈ অধিক কোচ-ৰাজবংশী সাধুকথা সন্নিবিষ্ট কৰা হৈছে। সাধুসমূহ মূলতঃ সংগ্ৰহ কৰা হৈছে ধুবুৰী আৰু গোলোকগঞ্জক কেন্দ্ৰ কৰি। শেহতীয়াভাৱে মণিন্দ্ৰ নাথ ৰায়ে সংগ্ৰহ আৰু প্ৰকাশ কৰি উলিয়াইছে **'টেপু দাৰ কেচ্চা'** শীৰ্ষক কোচ-ৰাজবংশী সাধুৰ গ্ৰন্থখন। সাধুৰ গ্ৰন্থখনত সৰ্বমুঠ ২৬ টা সাধু সন্নিবিষ্ট কৰা হৈছে। এই গ্ৰন্থৰ সাধুসমূহো সংগ্ৰহ কৰা হৈছে ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলৰপৰা। বঙাইগাঁও জিলাৰ কোচ-ৰাজবংশী লোকসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলন

হৈ অহা কিংবদন্তিসমূহ সংগ্ৰহ আৰু সন্নিবিষ্ট কৰিছে অশ্বিনী কুমাৰ সিংহই **'ভূমীশ্বৰৰ কাহিনী'** শীৰ্ষক গ্ৰন্থখনত। বঙাইগাঁও জিলাৰ আঠুগাঁও অঞ্চল বিশেষকৈ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চল। এই অঞ্চলৰ লোকসকলৰ মাজত ভূমীশ্বৰ পাহাৰ, নাককাটি পাহাৰ সম্পৰ্কে বিভিন্ন কিংবদন্তি প্ৰচলন হৈ আহিছে। পৰম্পৰাগতভাৱে চলি অহা এনে কিংবদন্তিসমূহ সন্নিবিষ্ট কৰা হৈছে এই গ্ৰন্থখনত। লাবণ্য ভকতৰ **'ৰাজবংশী লোক-সংস্কৃতি'** শীৰ্ষক গ্ৰন্থখনত কোচ-ৰাজবংশী লোকসকলৰ লোক-সংস্কৃতিৰ কথা ক'বলৈ গৈ সুবচনী পূজাকে আদি কৰি বিভিন্ন অনুষ্ঠাত ব্যৱহৃত সাধুকথাসমূহৰ উল্লেখ পোৱা গৈছে। গ্ৰন্থখনত কোচ-ৰাজবংশী সাধুকথাসমূহৰ সাংস্কৃতিক গুৰুত্বৰ উপৰিও সমাজতাত্ত্বিক দৃষ্টিভংগীৰে সাধুকথাসমূহৰ বিশ্লেষণ কৰা দেখা যায়। দ্বিজেন্দ্ৰনাথ ভকতৰ **'ৰাজবংশী লোক-সাহিত্য'** শীৰ্ষক গ্ৰন্থখনত কোচ-ৰাজবংশী জনগোষ্ঠীৰ দহটামান পুৰাকথাৰ সংগ্ৰহ আৰু প্ৰকাশিত ৰূপত পোৱা যায়। উক্ত গ্ৰন্থখনত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক সাহিত্যৰ আলোচনা কৰিবলৈ গৈ ভকতে কোচ-ৰাজবংশী পুৰাকথাসমূহৰ উল্লেখ কৰিছে। ২০১৬ চনৰ চেপ্তেম্বৰ মাহত ধুবুৰী জিলাৰ গোলোকগঞ্জত অৱস্থিত চিলাৰায় মহাবিদ্যালয়ত কোচ-ৰাজবংশী সাহিত্য সভা আৰু সাহিত্য অকাডেমিৰ সহযোগত **'পশ্চিম অসমৰ কোচ-ৰাজবংশীৰ পৌৰাণিক আৰু সাধুকথা'** শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। উক্ত আলোচনা চক্ৰৰ নিৰ্বাচিত গৱেষণা পত্ৰসমূহ দ্বিজেন্দ্ৰ নাথ ভকতৰ সম্পাদনাত **'Myths and Tales of Koch-Rajbangshis of Western Assam'** নামেৰে গ্ৰন্থখনত প্ৰকাশ কৰিছে। গ্ৰন্থখনত প্ৰকাশ পোৱা গৱেষণা-পত্ৰসমূহত কোচ-ৰাজবংশী পুৰাকথা তথা সাধুকথাসমূহৰ বিদ্যায়তনিক আৰু বিজ্ঞানসন্মত আলোচনা কৰা দেখা যায়। সুখবিলাস বাৰ্মাই সাধুকথা আৰু লোকগীতৰ সংগ্ৰহ, সংকলন আৰু ইংৰাজী ভাষালৈ ৩৬ টা কোচ-ৰাজবংশী সাধুকথাৰ লগতে লোকগীত অনুবাদ কৰি **'Rajbanshi Folk Tales and folk Songs'** শীৰ্ষক গ্ৰন্থখন প্ৰকাশ কৰে। এই গ্ৰন্থখনত কোচ-ৰাজবংশী সাধুকথাৰ ৰূপাঙ্গৰ বিষয়েও আলোচনা কৰা হৈছে। ফণীশ নাৰায়ণ দেৱে বঙাইগাঁৱৰ কোচ-ৰাজবংশী লোকসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা সাধুকথাসমূহ সংগ্ৰহ কৰি **'বঙাইগাঁৱৰ প্ৰচলিত সাধু'** শীৰ্ষক নামেৰে প্ৰকাশ কৰে। এই সাধুৰ পুথিখনত মুঠ ২১ টা সাধুকথা সন্নিবিষ্ট কৰা হৈছে। একেদৰে ২০১৫ চনত **'কোচ-ৰাজবংশী সমাজ-সংস্কৃতিতে কিচ্চা'** শীৰ্ষক নামেৰে সুবল চন্দ্ৰ বৰ্মনে সাধুৰ পুথি এখন প্ৰকাশ কৰে। উক্ত সাধুৰ সংকলনখনত মুঠ ১৭ টা কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত প্ৰচলিত সাধুকথা সংগ্ৰহ আৰু সন্নিবিষ্ট কৰা হৈছে।

গীতা সৰকাৰে পিএইচ.ডি. ডিগ্ৰীৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা **'পশ্চিম অসমৰ কোচ-ৰাজবংশী জনগোষ্ঠী ঃ এটি সামাজিক-সাংস্কৃতিক অধ্যয়ন'** শীৰ্ষক গৱেষণা

গ্ৰন্থখনৰ সপ্তম অধ্যায়ত কোচ-ৰাজবংশী জনগোষ্ঠীয় ভাষা আৰু সাহিত্যৰ কথা আলোচনা কৰিবলৈ গৈ সাধুকথাৰ আলোচনা কৰা দেখা গৈছে। একেদৰে প্ৰহ্লাদ শৰ্মাই উত্তৰবংগ বিশ্ববিদ্যালয়ত দাখিল কৰা **'জলপাইগুড়ি ৰাজবংশী লোক সংস্কৃতি ঃ সংগ্ৰহ, সমীক্ষা আৰু বিশ্লেষণ'** শীৰ্ষক গৱেষণা গ্ৰন্থত কোচ-ৰাজবংশী সাধুকথাৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা দেখা গৈছে।

**'Conservation of Environment throught Folkloric Beliefs and Practies'** শীৰ্ষক প্ৰবন্ধটোত মোঃ আবুছ চেলিমে লোককথা বা সাধুকথাত অন্তঃনিহিত বিশ্বাস আৰু তাৰ প্ৰয়োগৰদ্বাৰা কিদৰে পৰিৱেশ সংৰক্ষণ কৰিব পাৰি তাক ফঁহিয়াই চাবলৈ যত্ন কৰিছে। তেওঁ উল্লেখ কৰিছে যে পাৰিপাৰ্শ্বিক বহনক্ষম উন্নয়নৰ এক অন্যতম উপায় হৈছে সাধুকথাসমূহত উপলব্ধ জ্ঞান। প্ৰৱন্ধটোৰ মাজত তেখেতে মেঘালয় আৰু অৰুণাচলৰ বিভিন্ন জনজাতিৰ কথা উল্লেখ কৰি তেওঁলোকৰ মাজত প্ৰচলিত কিছু বাধা-নিষেধ (Taboo)ৰ দ্বাৰা কিদৰে জীৱ-জন্তু, গছ-গছনি আৰু অৰণ্যসমূহ সংৰক্ষিত হৈ আছে তাৰ আলোচনা কৰিছে। তেওঁ সমান্তৰালভাৱে পৰিৱেশতান্ত্ৰিক দৃষ্টিভংগীৰদ্বাৰা পৰিৱেশ সংৰক্ষণত সাহিত্যিক পাঠ একোটাৰ ভূমিকা আৰু মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কক পৰ্যালোচনা কৰিবলৈ চেষ্টা কৰিছে। **'An Ecocritical Perspective of Selected Naga Folktales'** শীৰ্ষক প্ৰৱন্ধত টিয়ালিয়াই নিৰ্বাচিত নগা সাধুকথাৰ পৰিৱেশতান্ত্ৰিক সমালোচনা কৰা দেখা গৈছে। ইয়াৰ মাধ্যমেদি নগা জনজাতীয় লোকসকল কিদৰে প্ৰকৃতিৰ লগত সহাৱস্থান কৰি জীয়াই আছে তাক দাঙি ধৰিছে। নগা জনজাতীয় লোকসকলৰ বিশ্বাস, পুৰাকথা, লোক কাহিনী, লোকগীত ইত্যাদিৰ মাজত প্ৰকৃতি সুৰক্ষা আৰু সংৰক্ষণৰ বিষয়টো কিদৰে জড়িত হৈ আছে তাক দেখুৱাবলৈ যত্ন কৰিছে। তেওঁ উল্লেখ কৰিছে নগা জনজাতীয় লোকসকলৰ মাজত এনে কিছু সাধুকথা প্ৰচলিত আছে, য'ত কোৱা হৈছে যে এটা সময়ত মানুহ আৰু অন্য প্ৰজাতিৰ জীৱ-জন্তুসমূহ ইজনে সিজনৰ ভাষা বুজি পাইছিল। যিয়ে মানুহ আৰু অন্যান্য প্ৰজাতিৰ জীৱ-জন্তুসমূহৰ মাজত থকা আন্তঃসম্পৰ্কৰ কথাই দাঙি ধৰে।

**'Ecological Worldview in Folklores and Folktales Leads to Environmental Conservation'** শীৰ্ষক প্ৰৱন্ধটোত পায়েল মাগো আৰু ঋতুৰাজ আনন্দয়ে পৰিৱেশতন্ত্ৰৰ সংৰক্ষণ আৰু অধ্যয়নত সাধুকথাৰ গুৰুত্ব দাঙি ধৰিছে। তেওঁলোকে যুটিয়াভাৱে উল্লেখ কৰিছে যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানৱজাতিৰ বিকাশ কৰিছে যদিও এনে বিকাশ বা প্ৰগতিয়ে পৰিৱেশৰ অৱনতি ঘটাইছে। এনে সংক্ৰান্তত পৰিৱেশ সংৰক্ষণৰ বিষয়টোৱে গুৰুত্ব লাভ কৰিছে। তেওঁলোকে কৈছে যে লোককথাই পৰম্পৰাগত বা থলুৱা চিন্তাক প্ৰসাৰিত কৰি প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কক উন্নত কৰে। লোককথাই প্ৰসাৰিত কৰা পৰম্পৰাগত জ্ঞানসমূহে পাৰিপাৰ্শ্বিক

নৈতিকতাৰ প্ৰসঙ্গ দাঙি ধৰি পৰিৱেশ সংৰক্ষণৰ দিশত আগবাঢ়ি যায়। **'Represntation of Ecocriticism in the Folklore of Mak Ungkai Spirit'** শীৰ্ষক প্ৰবন্ধটোত টমি আৰিয়ানটো আৰু ডি.এছ.আৰ সীমানজুন্তকে ইণ্ডোনেছিয়াৰ তানজুং কেৰটাণ্ড গাঁৱত প্ৰচলিত 'মাক উংকাইৰ আত্মা' সাধুকথাৰ পৰিৱেশতান্ত্ৰিক সমালোচনাৰে মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্কক দাঙি ধৰিবলৈ চেষ্টা কৰিছে। সাধুকথাৰ কাহিনীত এইটো কোৱা হৈছে যে একাংশ মাছমৰীয়াই সাগৰৰ নিতি-নিয়ম পালন নকৰি মাছ মাৰিছিল। ইয়াৰ অৰ্থ এইয়ে যে মাছমৰীয়াসকলে প্ৰয়োজনতকৈ অধিক মাছ সাগৰৰপৰা সংগ্ৰহ কৰিছিল, যাৰ এটা ব্যৱসায়িক দৃষ্টিভংগী আছিল। তানজুং গাঁৱৰ মানুহে বিশ্বাস কৰে যে মাছমৰীয়াসকলৰ এনে কাৰ্যত খং কৰি 'মাক উংকাইৰ আত্মা'ই প্ৰতিৰোধ গঢ়ি তুলিছিল। উংকাইৰ আত্মাই মাছমৰীয়াসকলক ভয় খুৱাইছিল। প্ৰৱন্ধটোৰদ্বাৰা ইয়াকে কোৱা হৈছে যে মানুহৰ ব্যৱসায়িক আগ্ৰাসনে প্ৰকৃতিৰ সকলো চলন্ত শৃংখলত বাধা প্ৰদান কৰিছে। ভাৰসাম্যহীন এনে পাৰিপাৰ্শ্বিক স্থিতিত মাক উংকাইৰ দৰে সাধুকথাসমূহে বহন কৰা পৰম্পৰাগত বিশ্বাসৰ প্ৰয়োজনীয়তা আছে।

**'An Ecofeminist Approach to Folktales from India'** শীৰ্ষক প্ৰৱন্ধটোত পিঃ মেৰী বিদ্যা পোৰ্চেলভিয়ে ভাৰতীয় উপমহাদেশীয় সাধুকথাৰ পৰিৱেশতান্ত্ৰিক নাৰীবাদী সমালোচনা আগবঢ়াইছে। এনে দৃষ্টিকোণেৰে 'এটা ফুলৰ গছ' শীৰ্ষক কানাড়া সাধুকথা আলোচনা কৰিবলৈ গৈ নাৰী আৰু প্ৰকৃতিৰ সমতুল্যতাৰ কথাটো দাঙি ধৰিছে। সমান্তৰালভাৱে কৈছে যে নাৰীয়ে প্ৰকৃতিৰপৰা শক্তি পায় আৰু প্ৰকৃতিয়ে নাৰীৰপৰা শক্তি পায়। সমালোচকজনৰ মতে 'এটা ফুলৰ গছ' শীৰ্ষক কানাড়া সাধুকথাৰ মূখ্য নাৰী চৰিত্ৰটোয়ে বহুবাৰ গছলৈ ৰূপান্তৰিত হোৱা কথাযাৰে নাৰী আৰু প্ৰকৃতিৰ মাজত থকা আন্তঃসম্পৰ্কৰ দিশটোকে দাঙি ধৰিছে। **'Folk tales of North-East India: A tryst with Nature'** শীৰ্ষক প্ৰৱন্ধটোত দেবোপম ৰাহাই উত্তৰ-পূৰ্ব ভাৰতৰ অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰাম ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় সাধুকথা পৰিৱেশতান্ত্ৰিক সমালোচনাৰে লোকপাঠ একোটাত মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্কৰ বিষয়টো দাঙি ধৰিছে। **'Man and Nature in Minangkabau Folklore Ikan Sakti : An Ecocritical Study'** শীৰ্ষক প্ৰৱন্ধটোত য়েন্নি হায়াতি, ইউলিয়ান্টি ৰছিদ আৰু মহম্মদ আদেকে মিনাংকাবাউ লোককথা 'ইকান শক্তি'ৰ সহায়ত মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কক দাঙি ধৰিছে। প্ৰৱন্ধটোত উল্লেখ কৰা হৈছে যে মানুহে নিজৰ স্বাৰ্থত প্ৰকৃতিৰ সম্পদসমূহ ব্যাপকভাৱে ব্যৱহাৰ কৰি আহিছে, যাৰ ফলত প্ৰকৃতিয়ে নিজৰ ভাৰসাম্যতা হেৰুৱাই পেলাইছে। 'ইকান শক্তি' সাধুকথাৰ আলমত তেওঁলোকে ব্যাখ্যা কৰিছে যে মানৱজাতিয়ে অতিমাত্ৰা প্ৰকৃতিৰ সম্পদসমূহ ধ্বংস কৰিলে প্ৰকৃতিয়ে

মানুহক শাস্তি দিয়ে। সেয়েহে 'ইংকান শক্তি' সাধুত অত্যাধিকভাবে গছ কটাৰ ফলত টাবেক আৰু জিন জনগোষ্ঠীৰ লোকসকল মাছলৈ ৰূপান্তৰিত হৈছে। সাধুকথাত পৰিবেশতাত্ত্বিক সমালোচনা কৰিবলৈ গৈ তিনিজন লেখকে এই প্ৰবন্ধটোত মূলতঃ পৰম্পৰাগত জ্ঞানৰ ব্যৱহাৰেৰে কিদৰে প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতা ৰখা কৰিব পাৰি তথা সংৰক্ষণ কৰিব পাৰি তাৰ বৰ্ণনা কৰিছে। একেদৰে থলুৱা জ্ঞানৰদ্বাৰা মানৱজাতিয়ে কিদৰে প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ দিশটো সম্ভৱপৰ কৰি তুলিব পাৰে তাকো আলোকপাত কৰিছে।

**'Selected Mizo Folktale and Songs: An Ecocritical Reading'** শীৰ্ষক গৱেষণা পত্ৰখনে মিজো লোককথা আৰু গীতসমূহত পৰিৱেশ সমালোচনাত্মক দৃষ্টিকোণৰপৰা পৰীক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। গৱেষণা পত্ৰখনে সাধুকথা কোৱা আৰু লোক সংগীতৰ এই পৰম্পৰাগত ৰূপসমূহত বিদ্যমান পৰিৱেশগত বিষয়বস্তু আৰু বাৰ্তাসমূহ বিশ্লেষণ কৰি পৰিৱেশ চেতনা আৰু বহনক্ষমতাৰ সৈতে ইয়াৰ সংযোগসমূহ অন্বেষণ কৰিছে। পৰিৱেশ সমালোচনাত্মক তাত্ত্বিক দিশ ব্যৱহাৰ কৰি মিজো লোককথা আৰু গীতত মিজো সম্প্ৰদায়ৰ প্ৰকৃতিৰ সৈতে সম্পৰ্ক, পৰিৱেশৰ প্ৰতি তেওঁলোকৰ বুজাবুজি, পৰিৱেশ ভাৰসাম্যৰ প্ৰতি তেওঁলোকৰ মনোভাৱৰ অধ্যয়ন কৰা দেখা গৈছে। এনে অধ্যয়নে মিজো জনগোষ্ঠীৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ মাজত সোমাই পৰে আৰু তেওঁলোকৰ আখ্যান আৰু সংগীতে কেনেকৈ পৰিৱেশগত মূল্যবোধক মূৰ্ত কৰি তুলিছে, প্ৰাকৃতিক জগতৰ সৈতে মানুহৰ পাৰস্পৰিক ক্ৰিয়া-কলাপক সম্বোধন কৰিছে তাৰ অন্বেষণ কৰে। সামগ্ৰিকভাৱে এই গৱেষণা পত্ৰখনে মিজো লোককথা আৰু গীতৰ ভিতৰৰ পৰিৱেশগত মাত্ৰাসমূহৰ এক অন্তৰ্দৃষ্টিসম্পন্ন বিশ্লেষণ আগবঢ়াইছে ।

**০.৫ গৱেষণাৰ গুৰুত্ব**

'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন' শীৰ্ষক গৱেষণাৰ বিষয়টোৰ অধ্যয়নৰ কেইবাটাও গুৰুত্বপূৰ্ণ দিশ আছে। প্ৰথম কথা কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাসমূহৰ সংগ্ৰহ আৰু লিখিত ৰূপত প্ৰকাশৰ কাম তেনেই তাকৰ। আমাৰ এই গৱেষণা গ্ৰন্থত প্ৰায় চল্লিশটাতকৈ অধিক পূৰ্বে অসংগ্ৰহিত অৱস্থাত থকা কোচ-ৰাজবংশী সাধুকথা সংগ্ৰহ কৰি লিখিত ৰূপ দিয়া হৈছে। ঠিক একেদৰে তাত্ত্বিক দৃষ্টিভংগীৰে কোচ-ৰাজবংশী সাধুকথাসমূহৰ আলোচনা বা বিশ্লেষণো তেনেই সীমিত। পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাত পোৱা গৈছে যে পৰিৱেশতান্ত্ৰিক সমালোচনাৰ তাত্ত্বিক দৃষ্টিভংগীৰদ্বাৰা এতিয়ালৈকে কোচ-ৰাজবংশী সাধুকথাসমূহৰ আলোচনা হোৱা নাই। ইয়াৰ বাহিৰেও অসমীয়া সাধুকথাৰ ওপৰতো পৰিৱেশতান্ত্ৰিক

দৃষ্টিকোণেৰে কৰা আলোচনা সীমিত। গতিকে কোচ-ৰাজবংশী সাধুকথাৰ লগতে অসমীয়া সাধুকথাৰো পৰিৱেশতান্ত্ৰিক সমালোচনাৰ দৃষ্টিভংগীৰে গৱেষণা কৰাটো গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়।

মানুহৰ জনসংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পোৱাৰ ফলত মানুহে হাবি-বননি কাটি তহিলং কৰি নিজৰ বসতি স্থাপন কৰিছে, ফলত অন্য জীৱ-জন্তুসমূহ বাসস্থানহীন হৈ লাহে লাহে বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। মানুহৰ এনে অনৈতিক কাৰ্যকলাপৰ বাবে পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যতা বিনষ্ট হৈছে আৰু মানুহে প্ৰতিদিনে পাৰিপাৰ্শ্বিক সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে। অন্যান্য দিশৰ লগতে সাহিত্যত প্ৰকাশ লাভ কৰা এনে ঘটনাৰাজিক পৰিৱেশতান্ত্ৰিক সমালোচনা তত্ত্বই বিশ্লেষণ কৰি মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্কৰ আলোচনা কৰে। সমান্তৰালভাৱে প্ৰাকৃতিক পৰিৱেশৰ সংৰক্ষণ আৰু সচেতনতা, নৈতিকতা, সামাজিক আৰু সাংস্কৃতিক দিশসমূহকো বহনক্ষম কৰি তোলাৰ পোষকতা কৰে। সাহিত্য-সাংস্কৃতিক পাঠ একোটাত পাৰিপাৰ্শ্বিক সচেতনতাৰ প্ৰসঙ্গটোৱে এই গৱেষণাৰ বিষয়টোক গুৰুত্বপূৰ্ণ কৰি তুলিছে।

বৰ্তমান সময়ছোৱাত অসমৰ কোচ-ৰাজবংশী লোকসকলে নিজৰ ঐতিহ্যমণ্ডিত কোচ ৰাজতন্ত্ৰৰ প্ৰসংগেৰে আত্মপ্ৰতিষ্ঠাৰ বাবে ৰাজনৈতিক আৰু বৌদ্ধিক আন্দোলন আৰম্ভ কৰিছে। এনে সময়ছোৱাত কোচ-ৰাজবংশী কেচ্চাসমূহৰ পৰিৱেশতান্ত্ৰিক সমালোচনা এক অন্যতম গৱেষণাৰ বিষয় হিচাপে বিবেচিত হ'ব। কিয়নো পৰিৱেশতান্ত্ৰিক সমালোচনাৰ দৃষ্টিকোণেৰে কেচ্চাসমূহৰ পাৰিপাৰ্শ্বিক অধ্যয়ন কৰাৰ সমান্তৰালভাৱে জৈৱ-আঞ্চলিকতাবাদ অথবা নৃ-গোষ্ঠীগত (Indigeneity) দিশেৰে ৰাজনৈতিক পঠন কৰা অৱকাশ আছে, য'ত কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ বাসস্থান, ভৌগোলিক, ৰাজনৈতিক অধিকাৰৰ বিষয়সমূহ সাধুকথাসমূহৰ অধ্যয়নৰ জৰিয়তে স্পষ্ট হ'ব। গতিকে সাধুকথা বা কেচ্চাসমূহৰ এনেধৰণৰ পঠনে কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ ৰাজনৈতিক অধিকাৰ তথা আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত যথেষ্ঠ অৰিহণা যোগাৱাৰ থল আছে।

এনে কেইবাটাও দিশৰপৰা এই গৱেষণাৰ বিষয়টো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব।

### ০.০৬ গৱেষণাৰ পৰিকল্পনা

গৱেষণাৰ পৰিকল্পনা বা আৰ্হি হিচাপে অৱতৰণিকা আৰু উপসংহাৰক বাদ দি পাঁচটা মুখ্য অধ্যায়ত বিভাজন কৰা হৈছে। অৱতৰণিকাত বিষয়বস্তুৰ পৰিচয়, গৱেষণাৰ উদ্দেশ্য, গুৰুত্ব, তথ্য সংগ্ৰহ, গৱেষণাৰ পৰিসৰ ইত্যাদি সামৰি লোৱা হৈছে। প্ৰথম অধ্যায়ত পৰিৱেশতান্ত্ৰিক সমালোচনাৰ তাত্ত্বিক দিশটো আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ

লোক-সাহিত্যৰ সামগ্ৰিক আলোচনাৰ লগতে কোচ-ৰাজবংশী সাধুকথাৰ শ্ৰেণী বিভাজন আৰু গুৰুত্ব দাঙি ধৰা হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাসমূহ পৰিৱেশতাত্ত্বিক দৃষ্টিভংগীৰে আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাসমূহৰ ৰূপাঙ্গ নিৰ্ধাৰণ কৰি পৰিৱেশমূলক ৰূপাঙ্গসমূহৰ আলোচনা কৰা হৈছে। উপসংহাৰত গৱেষণাৰ ফলাফল আৰু ভৱিষ্যতে কোচ-ৰাজবংশী সাধুকথাত কৰিব পৰা গৱেষণাৰ সম্ভাৱনীয়তাখিনি দাঙি ধৰা হৈছে। গৱেষণাৰ পৰিশেষত প্ৰসঙ্গটীকা আৰু সহায়ক গ্ৰন্থৰ তালিকা সন্নিবিষ্ট কৰা হৈছে। তথ্যদাতাৰ তালিকাৰ লগতে স্থিৰ চিত্ৰও সংলগ্ন কৰা হৈছে।

**০.০৬ গৱেষণাৰ পৰিসৰ**

'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতাত্ত্বিক অধ্যয়ন' শীৰ্ষক গৱেষণা কাৰ্যটিৰ বাবে পৰিসৰ নিৰ্ধাৰণ কৰা হৈছে। গৱেষণাৰ পৰিসৰ হিচাপে অবিভক্ত গোৱালপাৰা জিলা অৰ্থাৎ বৰ্তমানৰ পাঁচখন জিলা গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও আৰু চিৰাং জিলাক সামৰি লোৱা হৈছে। কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ লোক সাহিত্য অত্যন্ত চহকী, তাৰে ভিতৰত কেচ্চা বা সাধুকথাসমূহ অন্যতম। কোচ-ৰাজবংশী সাধুকথাসমূহক আমাৰ গৱেষণাৰ পৰিসৰত সামৰি লোৱা হৈছে। কেচ্চা বা সাধুকথা বুলিলে ৰূপকথা, জীৱ-জন্তুৰ কথা, ধৰ্মীয় কথা, পুৰাকথা, কিংবদন্তি, নীতিকথা ইত্যাদিক বুজায়। সাধুকথাৰ এই সকলো ভাগক আমাৰ গৱেষণাৰ পৰিসৰত অন্তৰ্ভুক্ত কৰা হৈছে।